[২০১০] ৪ এচ.চি.আৰ. ৩১৩

ৰবিচন্দ্ৰন

বনাম

ষ্টেট বাই দি.ৱাই. চুপাৰিন্টেণ্ডেন্ট অব পুলিচ, মাদ্ৰাজ

(ফৌজদাৰী আপীল নং ৯০৯-৯১০/২০০৩)

২৫ মাৰ্চ, ২০১০

**[ন্যায়াধীশ ডাঃ মুকুন্দকাম শৰ্মা আৰু ন্যায়াধীশ এইচ.এল. দাত্তু]**

দণ্ডবিধি আইন, ১৮৬০:

*ধাৰা ১২০-বি, ৪২০/১২০-বি, ৪৭৭-এ/১২০-বি তথা দুৰ্নীতি প্ৰতিৰোধ আইনৰ ধাৰা ৫(১)(ডি)/৫(২)- পামোলিন তেলৰ অনুমতি পত্ৰত প্ৰক্ষিপ্তকৰণ আৰু জালিয়াতি - নিম্ন আদালতৰ দ্বাৰা দোষী সাব্যস্তকৰণ, উচ্চ ন্যায়ালয়ৰ দ্বাৰা নিশ্চিতকৰণ - সিদ্ধান্ত: এই প্ৰক্ষিপ্তকৰণ আৰু জালিয়াতি এ-১, এ-২ বা এ-৪ নামৰ কোনো অভিযুক্ত ব্যক্তিয়ে কৰা বুলি প্ৰমাণ আৰু প্ৰতিষ্ঠা কৰিব পৰাকৈ কোনো যোগসূত্ৰ সূচাব পৰাকৈ কোনো প্ৰমাণ ৰেকৰ্ডত নাই। কেৱল এ-৪ এ-৩ৰ ভায়েক হোৱা কাৰণেই এইটো কোনো ধৰণে প্ৰমাণ বা প্ৰতিষ্ঠা নহয় যে তেওঁ সেই অনুমতি পত্ৰখন সংঘৰ কাৰ্য্যালয়ত উপস্থাপন কৰাৰ সময়ত অনুমতি পত্ৰখন প্ৰক্ষিপ্তকৰণ বা জলিয়তি কৰা বুলি তেওঁৰ জ্ঞান আছিল- আদালতৰ বিবেচিত মতামত অনুসৰি, প্ৰক্ষিপ্তকৰণ আৰু তাত সংলগ্ন আদ্যাক্ষৰবোৰ প্ৰমাণিত হোৱা নাই আৰু এ-২ আৰু এ-১-ৰ হাতত থকা বুলি প্ৰমাণিত হোৱা নাই- এই জালিয়াতী এ-১, এ-২ আৰু এ-৪-এ কৰিছে বুলি গোচৰীয়া পক্ষই প্ৰমাণ আৰু প্ৰতিষ্ঠা কৰাত শোচনীয় ভাৱে ব্যৰ্থ হৈছে - যিহেতু এ-৩-ৰ আপীল চলি থকা অৱস্থাত মৃত্যু হৈছিল, সেইবাবে ফৌজদাৰী আপীল নম্বৰ ৮০৫-৮০৬/২০০৩ বাতিল কৰা হৈছে - অন্যান্য আপীলসমূহ মঞ্জুৰ*

*কৰা হৈছে, দোষী সাব্যস্ত হোৱা আদেশ আৰু প্ৰত্যেক অভিযুক্ত ব্যক্তিৰ বিৰুদ্ধে প্ৰদান কৰা শাস্তি খাৰিজ কৰিছে - আপীল প্ৰত্যাখ্যান – ফৌজদাৰী কাৰ্যবিধি আইন, ১৯৭৩ - ধাৰা ৩৯৪(২), অনুবিধি - দুৰ্নীতি নিবাৰণ আইন, ১৯৪৭- ধাৰা ৫(১)(ডি)/ ৫(২) - পণ্ডিচেৰী অত্যাৱশ্যকীয় সামগ্ৰী (এচেনন্সিয়েল ক'ম'ডিটি) (ষ্টক প্ৰদৰ্শন, মূল্য তথা একাউণ্টৰ তদাৰক) আদেশ, ১৯৭৫ - ধাৰা ৪(৯)- অত্যাৱশ্যকীয় সামগ্ৰী আইন, ১৯৫৫ - ধাৰা ৭(১)(এ)(২)। [অনুচ্ছেদ ১৩, ১৫-১৭]*

*ৰহিম খান বনাম খুৰশীদ আহমেদ তথা অন্যান্য* (১৯৭৪) ২ এছ.চি.চি. ৬৬০; *তথা মুৰাৰি লাল বনাম মধ্যপ্ৰদেশ চৰকাৰ* এ. আই. আৰ. ১৯৮০ এচ. চি. ৫৩১, -ত উল্লেখ কৰা হৈছে।

ফৌজদাৰী কাৰ্যবিধি আইন, ১৯৭৩:

ধাৰা ৩৯৪(২), অনুবিধি - আপীলকাৰীৰ মৃত্যু হোৱাত আপীল অব্যাহত ৰাখিবলৈ অনুমতিৰ বাবে আইনী প্ৰতিনিধিসকলৰ দ্বাৰা আবেদন- অনুমোদিত।

গোচৰ আইনৰ প্ৰসঙ্গ :

(১৯৭৪) ২ এচ.চি.চি. ৬৬০ অনুচ্ছেদ ১৪-ত উল্লেখ কৰা হৈছে

এ.আই.আৰ ১৯৮০ এচ.চি. ৫৩১ অনুচ্ছেদ ১৪-ত উল্লেখ কৰা হৈছে

ফৌজদাৰী আপীল ক্ষেত্ৰাধিকাৰ: ফৌজদাৰী আপীল নং ৯০৯-৯১০/২০০৩।

ফৌজদাৰী আপীল নং. ২২০/১৯৯৪ আৰু ২২২/১৯৯৪- গোচৰত মাদ্ৰাজৰ উচ্চ ন্যায়ালয়ৰ অধীনত প্ৰদান কৰা ৩১.১২.২০০২ তাৰিখৰ ৰায় আৰু আদেশৰ পৰা

ইয়াৰ লগতে

ফৌজদাৰী গোচৰ নং ১৫১৫-১৫১৬, ১৫২৭-১৫২৮,৮০৫-৮০৬,৮০৭-৮০৮ আৰু ৯১১-৯১২/ ২০০৩ ।

আপিলকাৰীৰ পক্ষৰ হৈ আৰ. ভেঙ্কটাৰমণি, চি.কে.আৰ. লেনিন সেকাৰ, আলজো, আৰ. নেদুমৰান, শিবাজি এম. যাদব, অৰবিন্দ কুমাৰ, সেন্থিল জাগদিসান, ভি. ৰামাসুব্ৰমানিয়ান।

উত্তৰদাতাৰ পক্ষৰ হৈ পি.পি. মালহোত্ৰা, এ.এচ.জি, এম. চেটাৰ্জী, পি.কে. দে, এ. দেব কুমাৰ, অৰবিন্দ কুমাৰ শৰ্মা।

ন্যায়ালয়ে নিম্নোক্ত আদেশ প্ৰদান কৰিছিল-

**আদেশ**

১) এই আটাইবোৰ আপীলত একেধৰণৰ আৰু সংযোজিত হৈ থকা ঘটনা জড়িত হৈ আছে। যিহেতু, আমাৰ বিবেচনাধীন আইনী সমস্যাবোৰো একেধৰণৰ, গতিকে আমি আটাইবোৰ আপীল এই সমূহীয়া ৰায় আৰু আদেশৰ দ্বাৰা নিষ্পত্তি কৰিবৰ বাবে অগ্ৰসৰ হৈছোঁ।

২) মোকৰ্দমাটোৰ ঘটনাৰ মাজলৈ যোৱাৰ আগতে, এই ন্যায়ালয়ত দাখিল কৰা অন্যান্য আৱেদনসমূহ আৰু ফৌজদাৰী আপীল নং: ৮০৫-৮০৬/২০০৩-ৰ আপীলকাৰীৰ বিজ্ঞ অধিবক্তাৰ উক্তিসমূহ আলোচনা কৰাটো আমাৰপক্ষে সমুচিত হ'ব।

৩) ফৌজদাৰী আপীল নং: ১৫১৫-১৫১৬/২০০৩-ৰ ফৌজদাৰী অন্যান্য আৱেদন নং: ৬৩৯১-৬৩৯৪/২০১০ আৰু ফৌজদাৰী আপীল নং: ১৫২৭-১৫২৮/২০০৩-ৰ ফৌজদাৰী অন্যান্য আৱেদন নং: ৬৩৯৬-৬৩৯৯/২০১০- এই আৱেদন সমূহ অভিযুক্ত নং ১ ৰ বৈধ প্ৰতিনিধি কুমাৰাগুৰুৱে তেওঁলোকৰ নামসমূহ মৃত আপীলকাৰী-অভিযুক্ত নং ১ ঠাইত প্ৰতিস্থাপন কৰিবলৈ দাখিল কৰিছে। এই ন্যায়ালয়ত আপীলসমূহ চলি থকা অৱস্থাত, ২০০৭ চনৰ ৯ এপ্ৰিলত আপীলকাৰী-অভিযুক্ত নং

১-ৰ মৃত্যু হয়। সেয়েহে মৃত আপীলকাৰী-অভিযুক্ত নং ১-ৰ স্থানত তেওঁৰ বৈধ প্ৰতিনিধিসকলে তেওঁলোকৰ নামসমূহ প্ৰতিস্থাপিত কৰিবলৈ এই আৱেদনসমূহ দাখিল কৰিছে। উক্ত প্ৰাৰ্থনাৰ সন্দৰ্ভত, মৃত আপীলকাৰী-অভিযুক্ত নং ১ৰ বৈধ প্ৰতিনিধিসকলে ফৌজদাৰী কাৰ্য্যবিধি অধিনিয়ম, ১৯৭৩-ৰ ৩৯৪ নং ধাৰাৰ ওপৰত নিৰ্ভৰ কৰিছে। উক্ত আৱেদনসমূহত উল্লেখ কৰা কাৰণবোৰৰ বাবে, আৱেদনসমূহ মঞ্জুৰ কৰা হ'ল। যিসকল আবেদনকাৰী মৃত আপীলকাৰী-অভিযুক্ত নং ১-ৰ বৈধ প্ৰতিনিধি, তেওঁলোকৰ নামসমূহ নথিভুক্ত কৰিবলৈ মঞ্জুৰ কৰা হ'ল। উপৰোক্ত আদেশ অনুসৰি এই আৱেদনসমূহ নিষ্পত্তি কৰা হ'ল।

৪) এইটো উল্লেখ কৰা হৈছে যে এই ন্যায়ালয়ত আপীলসমূহ বিচাৰাধীন হৈ থকা সময়ত, অভিযুক্ত নং ৩ অৰ্থাৎ, তমিজচেলভানৰ, যিজন ১৮ নং দোকানৰ মালিক আছিল, মৃত্যু হৈছিল। এই বিষয়টোৰ পৰিপ্ৰেক্ষিতত, যিসমূহ আপীল অভিযুক্ত নং ৩-ৰ বিৰুদ্ধে কৰা হৈছিল, অৰ্থাৎ ফৌজদাৰী আপীল নং ৮০৫-৮০৬/২০০৩, সেইসমূহ প্ৰত্যাখ্যান কৰা হৈছে। একেধৰণে আটাইবোৰ আৱেদন খাৰিজ কৰা হয়। ৩০ নং দোকানৰ মালিক, কান্দাস্বামী, যিজন প্ৰথম আপীলৰ অভিযুক্ত নং ৩ আছিল, তেওঁ দোষী সাব্যস্ত হোৱা আদেশ আৰু শাস্তিৰ বিৰুদ্ধে এই ন্যায়ালয়ত কোনো আপীল দাখিল কৰা নাই। উল্লেখ থাকে যে তেওঁক প্ৰদান কৰা শাস্তি তেওঁ পূৰ্ণ কৰিছে।

৫) বৰ্তমানৰ আপীলসমূহ নিষ্পত্তি কৰিবলৈ প্ৰয়োজনীয় চমু তথ্যসমূহ হ'ল যে আপীলকাৰীসকলৰ বিৰুদ্ধে ধাৰা ১২০-বি, ধাৰা ১২০-বি ৰ সৈতে ধাৰা ৪২০, আইপিচিৰ ধাৰা ১২০-বিৰ সৈতে ধাৰা ৪৭৭-এ, আৰু ১৯৮৫ চনৰ এছ এল পি চি চি নং ১ ত দুৰ্নীতি প্ৰতিৰোধ আইন, ১৯৪৭-ৰ ধাৰা ৫(১)(ডি) আৰু ধাৰা ৫(২)ৰ অধীনত অভিযোগ উত্থাপন কৰা হৈছিল আইন। চি.চি. নং-৩ /১৯৮৫ -ত আপীলকাৰীসকলৰ বিৰুদ্ধে পণ্ডিচেৰী অত্যাৱশ্যকীয় সামগ্ৰী (ষ্টক প্ৰদৰ্শন, মূল্য, আৰু একাউন্টৰ তদাৰক) অৰ্ডাৰ, ১৯৭৫ৰ দফা ৪(এ)ৰ লগতে অত্যাৱশ্যকীয় সামগ্ৰী আইন, ১৯৫৫-ৰ ধাৰা ৭(১)(এ)(ii)ৰ অধীনত অভিযোগ উত্থাপন কৰা হৈছিল। গোচৰীয়া পক্ষৰ গোচৰ হ'ল যে ইয়াত আপীলকাৰী, অৰ্থাৎ, অভিযুক্ত নং ১ আৰু ২ -য়ে পামোলিন তেল জাৰী কৰাৰ অনুমতিপত্ৰ প্ৰস্তুত কৰিছিল আৰু তাৰ প্ৰতিপত্ৰ কাৰ্য্যালয়ত ৰাখিছিল। উক্ত অনুমতিপত্ৰ আৰু প্ৰতিপত্ৰ উভয়তে অভিযুক্ত নং ২ ৰ

হস্তাক্ষৰ আছিল আৰু লগতে এ -১ আৰু এ -২ ৰ দ্বাৰাও সংক্ষিপ্ত চহী আৰু সম্পূৰ্ণ চহীৰে স্বাক্ষৰিত আছিল। পৰৱৰ্তীকালত, যেনেকৈ নহওঁক, অনুমতি পত্ৰত এইটো চিনাক্ত কৰা হৈছিল যে ৩০ নং দোকানৰ ক্ষেত্ৰত প্ৰক্ষিপ্তকৰণ আৰু জালিয়াতি হৈছিল। এনে ধৰণৰ এখন অনুমতি পত্ৰই দৰ্শায় যে পামোলিন তেলখিনি ৩৮ নং দোকানৰ ক্ষেত্ৰত জাৰি কৰা হৈছিল। যিখন প্ৰতিপত্ৰ কাৰ্য্যালয়ত ৰখা হৈছিল সেইখনে সূচায় যে পামোলিন তেলখিনি ৩৮ নং দোকানৰ বাবে জাৰি কৰিব লাগিছিল, দৰাচলতে এইখন জাৰি কৰা হৈছিল, কিন্তু অনুমতি পত্ৰত, পৰৱৰ্তী সময়ত ইয়াক ৩০ নং দোকান হিচাপে ৰূপান্তৰিত আৰু প্ৰক্ষিপ্তকৰণ কৰা হৈছিল বুলি ধৰা পৰে। ৩০ নম্বৰ দোকানৰ পৰাই পালমোলিন তেলৰ ডেলিভাৰীও লোৱা হৈছিল।

৬) উক্ত নথিত কৰা উপৰোক্ত প্ৰক্ষিপ্তকৰণ আৰু জালিয়াতিৰ পৰিপ্ৰেক্ষিতত, উপৰোক্ত বিধিৰ অধীনত দুটা পৃথক গোচৰ ৰুজু কৰা হৈছিল। অভিযোগ নামা দাখিল কৰাৰ পাছত বিচাৰ প্ৰক্ৰিয়া আৰম্ভ হয় আৰু কিছু সংখ্যক সাক্ষী অৰ্থাৎ গোচৰীয়া সাক্ষী নং ১ ৰ পৰা গোচৰীয়া সাক্ষী নং ১৯ লৈ পৰীক্ষা কৰা হৈছিল আৰু বহুতো নথি পত্ৰও নথিভুক্ত কৰা হৈছিল যাক প্ৰদৰ্শক পি ১ ৰ পৰা পি ৫৭ হিচাপে চিহ্নিত কৰা হয়।

৭) আটাইবোৰ অভিযুক্তকে ফৌজদাৰী কাৰ্য্য বিধিৰ ধাৰা ৩১৩-ৰ অধীনত পৰীক্ষা কৰা হৈছিল আৰু বিচাৰ প্ৰক্ৰিয়াৰ শেষত, নিম্ন আদালতে, বিশেষ চি.চি. নং ১/১৯৮৫ -ত আটাইবোৰ অভিযুক্তকে অৰ্থাৎ, এ-১ ৰ পৰা এ-৩ লৈকে ভা.দ.বি.-ৰ ধাৰা ১২০ বি -ৰ অধীনত দোষী সাব্যস্ত কৰে আৰু প্ৰত্যেককে তিনি বছৰৰ সশ্ৰম কাৰাদণ্ডৰ শাস্তি প্ৰদান কৰে তথা ভা.দ.বি.-ৰ ধাৰা ৪২০ৰ সৈতে ধাৰা ১২০বি অধীনত তেওঁলোকক দোষী সাব্যস্ত কৰে আৰু তেওঁলোকক প্ৰত্যেককে তিনি বছৰৰ সশ্ৰম কাৰাদণ্ডেৰে দণ্ডিত কৰে লগতে প্ৰত্যেককে ৫০০/- টকাৰ জৰিমনা বিহে, অন্যথা এক (১) মাহৰ সাধাৰণ কাৰাদণ্ড ভোগ কৰিব লাগিব। অভিযুক্ত ব্যক্তিসকল আকৌ ভা.দ.বি. ৰ ধাৰা ৪৭৭ক -ৰ সহ ধাৰা ১২০বি ৰ অধীনত দোষী সাব্যস্ত কৰা হৈছিল আৰু প্ৰত্যেককে তিনি বছৰৰ সশ্ৰম কাৰাদণ্ডেৰে দণ্ডিত কৰা হৈছিল। ৰবিচন্দ্ৰন, এ-২ আৰু এ-১ -কো দুৰ্নীতি নিবাৰণ আইন, ১৯৪৭-ৰ ধাৰা ৫(১)(ডি) সহ ধাৰা ৫(২)ৰ লগতে ভা.দ.বি. ৰ ধাৰা ১২০বি ৰ অধীনত দোষী সাব্যস্ত কৰি প্ৰত্যেককে তিনি বছৰৰ সশ্ৰম কাৰাদণ্ড তথা প্ৰত্যেককে ৫০০/- টকা জৰিমনা বিহে, আৰু

আদায় নকৰিলে এক মাহৰ সাধাৰণ কাৰাদণ্ড ভোগ কৰিব লাগিব। কান্দাচামী এ-৩ ক দুৰ্নীতি নিবাৰণ আইন, ১৯৪৭-ৰ ধাৰা ৫(১)(ডি)-ৰ সৈতে ৫(২)ৰ অধীনত তথা ভা.দ.বি. ৰ ধাৰা ১০৯ ৰ অধীনত দোষী সাব্যস্ত কৰা হয় আৰু তিনি বছৰৰ সশ্রম কাৰাদণ্ড আৰু ৫০০/- টকাৰ জৰিমনা বিহা হয়, যিটো আদায় নকৰিলে এক মাহৰ সাধাৰণ কাৰাদণ্ড ভোগ কৰিব লাগিব। আটাইবোৰ শাস্তি সমকালীনভাৱে বিহাৰ নিৰ্দেশ দিয়া হৈছিল।

৮) বিশেষ চি.চি. নং. ৩/ ১৯৮৫ ৰ সন্দৰ্ভত, অভিযুক্ত নং ১ আৰু ২ পন্ডিচেৰী অত্যাৱশ্যকীয় সামগ্ৰী (ষ্টক প্ৰদৰ্শন, মূল্য আৰু একাউন্টৰ তদাৰক) আদেশ ১৯৮৫ ৰ ধাৰা ৪(ক) ৰ লগতে প্ৰয়োজনীয় পণ্য আইন, ১৯৫৫ ৰ ধাৰা (১)(ক)(২) তথা ভা.দ.বি. ৰ ধাৰা ১০৯ ৰ অধীনত দোষী সাব্যস্ত হৈছিল আৰু প্ৰত্যেককে ৬ মাহৰ সশ্রম কাৰাদণ্ডৰ শাস্তি দিয়া হয়। অভিযুক্ত নং ৩ ক পন্ডিচেৰী অত্যাৱশ্যকীয় সামগ্ৰী (ষ্টক প্ৰদৰ্শন, মূল্য আৰু একাউন্টৰ তদাৰক) আদেশ ১৯৭৫ ৰ ধাৰা ৪(ক) ৰ অধীনত তথা অপৰিহাৰ্য পণ্য আইন, ১৯৫৫ ৰ ধাৰা ৭(১)(ক)(২) ৰ অধীনত দোষী সাব্যস্ত হৈছিল আৰু তেওঁক ৬ মাহৰ সশ্রম কাৰাদণ্ডৰ শাস্তি দিয়া হয়।

৯) নিম্ন আদালতৰ দ্বাৰা প্ৰদত্ত উপৰোক্ত ৰায় আৰু আদেশৰ দ্বাৰা ব্যথিত হৈ, আপীলকাৰীসকলে চাৰিটা পৃথক আপীল দাখিল কৰিছিল। অভিযুক্ত নং ১-এ দাখিল কৰা আপীল দুটা হ'ল চি. এ. নং ১৮১ আৰু ১৮৪/ ১৯৯৪। অন্য দুটা আপীল চি. এ. নং.২২০ আৰু ২২২/১৯৯৪ অভিযুক্ত নং ২ আৰু ৩ ৰ দ্বাৰা যুটীয়াভাৱে দাখিল কৰা হৈছিল। উচ্চ ন্যায়ালয়ে প্ৰদান কৰা ৩১.১২.২০০৩ তাৰিখৰ ৰায় আৰু আদেশৰ দ্বাৰা আটাইবোৰ আপীল খাৰিজ কৰা হয়।

১০) উপৰোক্ত ৰায় আৰু আদেশৰ দ্বাৰা দোষী সাব্যস্ত হোৱাত ব্যথিত হৈ, আপীলকাৰীসকলে আমাৰ ওচৰত দাখিল কৰা আপীলসমূহ গ্ৰহণ কৰা হৈছে। আটাইবোৰ আপীল শুনানীৰ বাবে তালিকাভুক্ত কৰা হৈছে আৰু আমি পক্ষসমূহৰ বিজ্ঞ অধিবক্তাৰ শুনানী গ্ৰহণ কৰিছো।

১১) আপিলকাৰী সকলৰ অধিবক্তাসকলে আমাৰ সন্মুখত উক্তি দৰ্শায় যে উক্ত ৰায়বোৰ প্ৰত্যাখ্যান কৰা প্ৰয়োজন, যিহেতু অভিযুক্ত ব্যক্তিসকলক তেওঁলোকৰ বিৰুদ্ধে

থকা অভিযোগবোৰত দোষী বুলি ক'ব পৰা নাযায়। এইটো উল্লেখ কৰা হয় যে যদিও উক্ত অনুমতি পত্ৰ তথা প্ৰতিপত্ৰ অভিযুক্ত নং ২ ৰ দ্বাৰা তৈয়াৰ কৰা হৈছিল আৰু সেইখন অভিযুক্ত নং ২ আৰু ১ উভয়ৰ দ্বাৰা স্বাক্ষৰিত আছিল, কিন্তু কোনো চূড়ান্ত প্ৰমাণ নাই যে সেই প্ৰক্ষিপ্তকৰণ আৰু জালিয়াতি দুয়ো অভিযুক্তৰ দ্বাৰাই কৰা হৈছিল। আপীলকাৰীৰ অধিবক্তাই যুক্তি-তৰ্কৰ কালছোৱাত দৰ্শাই যে বৰ্তমানৰ আপীলসমূহ চলি থকাৰ সময়ছোৱাত অভিযুক্ত নং ৩-ৰ মৃত্যু হয় আৰু তেওঁ নিজে এই ন্যায়ালয়ত কোনো আপীল দাখিল কৰা নাছিল। অভিযুক্ত নং ৪ ৰ ক্ষেত্ৰত, তেওঁৰ হৈ হাজিৰ হোৱা অধিবক্তাই এইটো তথ্যলৈ আমাৰ দৃষ্টি আকৰ্ষণ কৰে যে, তেওঁ এ-৩ ৰ ভায়েক আছিল যদিও যিখন অনুমতি পত্ৰ তেওঁৰ দ্বাৰা সংঘৰ কাৰ্য্যালয়ত প্ৰদান কৰা হৈছিল, সেইখন প্ৰক্ষিপ্তকৰণ ও জলিয়াতি কৰা বুলি তেওঁ জানে বুলি কোনো প্ৰমাণ নাছিল।

১২) ভাৰতৰ অতিৰিক্ত মহাধিবক্তা পি.পি. মালহোত্ৰা উত্তৰদাতা-চি.বি.আই-ৰ পক্ষে উপস্থিত হৈ যুক্তি আগবঢ়াবলৈ চেষ্টা কৰে যে এইয়া দুয়োখন নিম্ন আদালতৰ তথ্যৰ সমসাময়িক সিদ্ধান্ত আৰু সেইবাবে, সেই সিদ্ধান্তক এই আদালতৰ দ্বাৰা হস্তক্ষেপ কৰা উচিত নহয়। তেওঁ আৰু যুক্তি দৰ্শায় যে নথিভুক্ত সিদ্ধান্তই দুয়ো অভিযুক্ত ব্যক্তিৰ দোষ সম্পূৰ্ণৰূপে প্ৰমাণ কৰে আৰু নথিত যথেষ্ট আৱশ্যকীয় সাক্ষ্য আছে যিয়ে এইটো সূচায় যে যিসমূহ নথি সন্দেহৰ আওঁতাত আছে সেইবোৰ জাল নথি আৰু সেই নথি সমূহ অন্তত: অভিযুক্ত ব্যক্তিসকলৰ জ্ঞান তথা সন্মতিত জাল কৰা হৈছিল আৰু সেয়েহে, দোষী সাব্যস্ত কৰাটো আৰু তেওঁলোকৰ বিৰুদ্ধে প্ৰদান কৰা শাস্তিসমূহ আইনগত আৰু বৈধ।

১৩) উপৰোক্ত দলিলৰ আধাৰত, আমি গোচৰৰ সম্পূৰ্ণ তথ্য বিবেচনা কৰিছো। আমি বৰ্তমানৰ গোচৰসমূহত দিয়া সাক্ষ্যবোৰ খুঁটি-নাটি মাৰি পৰীক্ষা কৰিছো। সকলোখিনি চালি-জাৰি চোৱাৰ পাছত, আমাৰ অভিমত এয়ে যে, এ-১, এ-২ বা এ-৪ নামৰ অভিযুক্ত ব্যক্তিসকলৰ ভিতৰত কাৰো দ্বাৰা প্ৰক্ষিপ্তকৰণ তথা জালিয়াতি কৰা হৈছিল বুলি প্ৰমাণ কৰিব পৰা কোনো যোগসূত্ৰ দৰ্শাবলৈ নথিভুক্ত কোনো প্ৰমাণ নাই। কেৱল মাত্ৰ এ-৩ এ-৪ ৰ ভায়েক হোৱা বাবেই কোনো কাৰণতে প্ৰমাণিত নহয় যে যিখন অনুমতি পত্ৰ তেওঁ সংঘৰ কাৰ্য্যালয়ত উপস্থাপন কৰিছিল সেইখনৰ জালিয়াতিৰ সন্দৰ্ভত তেওঁৰ জ্ঞান আছিল।

১৪) এ-১ আৰু এ-২-এ প্ৰক্ষিপ্তকৰণ তথা জালিয়াতি কৰিছিল বুলি প্ৰমাণ কৰিবলৈ, গোচৰীয়া পক্ষই গোচৰীয়া সাক্ষী নং-৩ আৰু গোচৰীয়া সাক্ষী নং-৬-ৰ সাক্ষ্য প্ৰদান কৰে যিয়ে কয় যে তেওঁলোকে এ-১ আৰু এ-২ ৰ হস্তাক্ষৰ, স্বাক্ষৰ, সংক্ষিপ্ত চহী আৰু পৰিসংখ্যা লিখাৰ ধৰণ জানিছিল। আমি হাতৰ আখৰ, স্বাক্ষৰ, সংক্ষিপ্ত চহী আৰু পৰিসংখ্যা লিখাৰ ধৰণৰ আধাৰত গোচৰীয়া সাক্ষ্য নং ৩ আৰু ৬ বিবেচনা কৰাৰ আগতে আমি এই আদালতৰ দুটা ৰায় উল্লেখ কৰিব বিচাৰো। *ৰহিম খান বনাম খুৰশিদ আহমেদ আৰু অন্যান্য* [(১৯৭৪) ২ এছ.চি.চি. ৬৬০]-ত, এই আদালতে নিম্নলিখিত সিদ্ধান্ত দিছিল:

> "৩৯. প্ৰদৰ্শক পি-৩ আৰু গোচৰীয়া সাক্ষ্য ১১/১-ত ঘূৰাই পঠোৱা প্ৰাৰ্থীৰ স্বাক্ষৰ চিহ্নিত কৰিবলৈ মৌখিক প্ৰমাণো আছে, বিশেষকৈ, গোচৰীয়া সাক্ষ্য ২৩-ৰ অৰ্থাৎ হাবিবৰ জবানবন্দিত। তেওঁ আপীলকাৰীৰ হাতৰ আখৰৰ সৈতে পৰিচিত বুলি কোৱা নাছিল। মতামতৰ সাক্ষ্য অপ্ৰতিষ্ঠিত সাক্ষ্য হয় আৰু সেয়া প্ৰাসংগিক হয় যদিহে সাক্ষ্য অধিনিয়মৰ ধাৰা ৪৭-ৰ চৰ্তটো প্ৰথমে প্ৰমাণিত হয়। এই বিষয়ে ন্যায়িক মতামতৰ কিছু অমিল আছে, কিন্তু আমি সেইয়া সমাধান কৰাৰ দৰকাৰ নাই, কাৰণ, যদিও স্বীকাৰ কৰা নথিত থকা ৰহিম খানৰ স্বাক্ষৰ আৰু প্ৰদৰ্শনী নং পি - ৩ আৰু গোচৰীয় সাক্ষ্য- ১১/১ উভয়েৰ মাজত ঘনিষ্ঠ সাদৃশ্য আছে, আমি সন্দেহজনক প্ৰমাণৰ ভিত্তিত বা আদালতৰ স্বাক্ষৰৰ তুলনাৰ ভিত্তিত এটি সিদ্ধান্তত উপনীত হোৱাটো নিবিচাৰোঁ। এই পৰিস্থিতিত আমি আন প্ৰমাণ বিচাৰিব লাগিব, যদিহে আছে, যিয়ে প্ৰমাণ কৰিব যে প্ৰত্যাবৰ্তিত প্ৰাৰ্থীয়ে ব্যক্তিগতভাৱে বা তেওঁৰ সন্মতি সাপেক্ষে ছপা কৰা হাতেলিখা চালানসমূহ প্ৰচাৰ কৰিছিল।

*মুৰাৰি লাল বনাম মধ্যপ্ৰদেশ চৰকাৰ* [এ. আই. আৰ. ১৯৮০ এছ.চি. ৫৩১]-ত এই আদালতে নিম্ন লিখিত সিদ্ধান্তসমূহ উল্লেখ কৰিছে:-

> "১১. আমি দৃঢ়ভাবে এই মত দিছোঁ যে আইনৰ কোনো শাসন নাই, বা বিচক্ষণতাৰ কোনো নিয়ম নাই যিটো আইনত পৰিণত হৈছে যে হাতৰ আখৰ

বিশেষজ্ঞৰ মতামত গ্ৰহণ কৰাৰ আগতে সদায় অতিৰিক্ত প্ৰমাণৰ দ্বাৰা সমৰ্থিত হ'ব লাগিব। কিন্তু হাতৰ আখৰৰ চিনাক্তকৰণৰ অসম্পূৰ্ণ প্ৰকৃতিৰ বাবে আমি আগেয়ে উল্লেখ কৰাৰ দৰে সাৱধানতাৰে ইয়াৰ কাষ চাপিব লাগে। বিশেষজ্ঞৰ মতামতৰ কাৰণসমূহ পুংখানুপুংখভাৱে অনুসন্ধান কৰি তন্ন তন্নকৈ পৰীক্ষা কৰিব লাগিব। আন সকলো প্ৰাসংগিক প্ৰমাণো বিবেচনা কৰিব লাগিব। উপযুক্ত ক্ষেত্ৰত সমৰ্থনৰ প্ৰয়োজন হ'ব পাৰে। যদিহে মতামতৰ কাৰণসমূহ পতিয়ন যোগ্য হয় আৰু কোনো নিৰ্ভৰযোগ্য পৰস্পৰ বিৰোধী প্ৰমাণ নাথাকে, তেন্তে কোনো হাতৰ আখৰ বিশেষজ্ঞৰ অসমাৰ্থক সাক্ষ্য গ্ৰহণ কৰিব পাৰি। এই বিষয়ত কঠোৰ নিয়ম থাকিব নোৱাৰে, কিয়নো শেষত ই সাক্ষ্যৰ ওজনৰ ওপৰত নিৰ্ভৰ কৰে। আমি এই বিষয়ে বিশদভাৱে কওঁ এইটো অধীনস্থ আদালতত সঘনাই সন্মুখীন হোৱা যুক্তি আৰু এই আদালতৰ ৰায়দানৰ পৰা সঘনাই কিছুমান বাক্য লোৱা হয় আৰু এইবোৰৰ অপব্যৱহাৰ কৰা হয়।

১৫) গোচৰীয়া সাক্ষ্য- ৬ য়ে তেওঁৰ মুখ্য সাক্ষ্যত কৈছে যে তেওঁ অভিযুক্ত ব্যক্তিসকলক অৰ্থাৎ এ-১ ৰ পৰা এ-৩-ক চিনি পায়, আৰু যে এ-২ ইউ.দি.চি. পদত অসামৰিক যোগান পৰিদৰ্শকৰ কাৰ্য্যালয়ত কৰ্মৰত আছিল আৰু যে তেওঁ তাৰ আগতে বিত্ত বিভাগত তেওঁৰ লগত কাম কৰিছিল। গোচৰীয়া সাক্ষ্য- ৬ য়ে যদিও মুখ্য সাক্ষ্যত ক'তো কোৱা নাই যে বৰ্তমানৰ প্ৰক্ষিপ্তকৰণ বা জালিয়াতি এ-২ ৰ হাতত আছিল। জেৰাত গোচৰীয়া সাক্ষী ৬ এ কৈছে যে যদিও তেওঁ বিত্ত বিভাগত এ-২ ৰ সৈতে কাম কৰিছে, কিন্তু তেওঁ অন্য এটি শাখাত কাম কৰিছিল। তেওঁ স্পষ্টভাবে কৈছিল যে তেওঁ এফ- ১ নামৰ বাজেট শাখাত কাম কৰিছিল। য'ত এ-২ এ এফ-২ নামৰ মটৰ কনভেয়েন্স শাখাত কাম কৰিছিল। জেৰাত এইটোও পোহৰলৈ আহিছে যে, যে যিবোৰ নথি এ-২ আৰু এফ.-২ শাখাৰ দ্বাৰা বিত্ত বিভাগত চোৱা চিতা কৰা হৈছিল সেইবোৰ কেতিয়াও এফ.- ১ শাখাত অহা নাছিল, য'ত গোচৰীয়া সাক্ষী ৬ য়ে কাম কৰিছিল।

১৬) উক্ত ঘটনাৰ আধাৰত, আমাৰ মতামত হ'ল যে গোচৰীয়া পক্ষই এ-১, এ-২ বা এ-৪ এ উক্ত প্ৰক্ষিপ্তকৰণ বা জালিয়াতি কৰা বুলি প্ৰমাণিত কৰাত শোচনীয়ভাৱে বিফল হৈছে।

১৭) ইতিপূৰ্বে উল্লেখ কৰা মতে, ফৌজদাৰী  আপীল নং- ৮০৫-৮০৬/২০০৩ প্ৰত্যাখ্যান কৰা হ'ল। আমি বাকী থকা আপীল সমূহ মঞ্জুৰ কৰিলোঁ আৰু প্ৰত্যেকজন অভিযুক্তৰ বিৰুদ্ধে দোষী সাব্যস্ত হোৱা আদেশসমূহ বাতিল কৰিলোঁ।

১৮) জামিননামাসমূহ খাৰিজ কৰা হ'ল।

আৰ.পি.                                                         আপীল মঞ্জুৰ কৰা হ’ল।

*অনুবাদক- মানবেন্দ্ৰ কলিতা*

*পৰীক্ষক- মায়াশ্ৰী মহন্ত, অনুবাদ শাখা, গৌহাটী উচ্চ ন্যায়ালয়*

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ’ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্যকৰীকৰণ আৰু ৰূপায়নৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হ’ব।“